# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। সমগ্ৰ দেশতে আজি মহাবীৰ জয়ন্তী পালন কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান সমগ্ৰ বিশ্বই গোলকীয় শান্তি সুনিশ্চিত কৰাৰ বাবে ভাৰতলৈ চাই আছে।

৪। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অসামৰিক সেৱা দিৱস উপলক্ষে দেশৰ সকলো অসামৰিক সেৱাৰ বিষয়াক শুভেচ্ছা জ্ঞাপন কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি  ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীণ হোৱাৰ বিপৰীতে পাঞ্জাব কিংছ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকীকেইটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মহা মিত্ৰজোঁট আৰু এনডিএকে ধৰি সকলো ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে দেশৰ বিভিন্ন ঠাইত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। দ্বিতীয় পৰ্যায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ চাৰিদিন বাকী থকা অৱস্থাত ৰাজনৈতিক নেতাসকলে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। দ্বিতীয় পৰ্যায়ত  কেৰালাৰ ২০ খন আসনৰ আটাইকেইখন, কৰ্ণাটকৰ ২৮ খন আসনৰ ১৪ খন, ৰাজস্থানৰ ১৩, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮ খনকৈ, মধ্যপ্ৰদেশৰ ৭ খন, অসম আৰু বিহাৰৰ ৫ খনকৈ, পশ্চিম বংগ আৰু ছত্তিশগড়ৰ তিনিখনকৈ আৰু ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এখনকৈ আসনৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি মধ্য প্ৰদেশত ছটনাত এখন নিৰ্বাচনী সভাত ভাষণ দিব। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি জিতু পট্‌ৱাৰী, ৰাজ্যসভাৰ সাংসদ বিবেক টংখা, আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অৰুণ যাদৱেও এই বৈঠকক সম্বোধন কৰিব।  ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মোহন যাদৱে বিজেপিৰ হকে ঠায়ে ঠায়ে প্ৰচাৰ চলাব। তেওঁ আজি

চাগৰ, চট্টৰপুৰ আৰু ৰিৱাত কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে বিজেপিৰ ৰাজ্যিক সভাপতি বিষ্ণু শৰ্মাই চন্দলা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে বিডিশাত দলৰ হকে প্ৰচাৰ চলাব। মন্ত্ৰী প্ৰহ্লাদ পেটেলে বন্দা, দেউৰী আৰু উদায়পুৰাত কেইবাটাও কাৰ্যসূচীত ভাগ ল'ব।

০০০

আজি মহাবীৰ জয়ন্তী। জৈন ধৰ্মৰ ২৪ সংখ্যক তীৰ্থাংকৰ ভগৱান মহাবীৰ জৈনৰ জয়ন্তী হিচাপে এই উৎসৱ পালন কৰা হয়। ভগৱান মহাবীৰে অহিংসা, সত্য, ব্ৰহ্মচৰ্য্য, অস্তেয়, সংযমৰ লেখীয়া জৈন আদৰ্শৰাজিৰ মাধ্যমেৰে শান্তিপূৰ্ণ সহাৱস্থান আৰু বিশ্ব ভ্ৰাতৃত্ববোধৰ  পথ দেখুৱাই থৈ গৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তী উপলক্ষে দেশৰ  জনসাধাৰণ বিশেষকৈ জৈন ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কৈছে যে, অহিংসা আৰু কৰুণাৰ প্ৰতীক স্বৰূপ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা এই উৎসৱে আমাক মৰম-ভালপোৱা আৰু শান্তিৰ বাৰ্তা দিয়ে। তেওঁ কয় যে, ভগৱান মহাবীৰে এখন আদৰ্শ আৰু সভ্য সমাজ গঢ়াৰ বাবে অহিংসা, ব্ৰহ্মচৰ্য্য, সত্য আৰু ত্যাগৰ পথ দেখুৱাই থৈ গৈছে আৰু তেওঁৰ শিকনিসমূহ মানৱ জাতিৰ কল্যাণৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহাবীৰ জয়ন্তী উপলক্ষে সকলোকে মৰম-ভালপোৱা আৰু সম্প্ৰীতি বিয়পোৱাৰ বাবে অংগীকাৰবদ্ধ হ'বলৈ আৰু ৰাষ্ট্ৰৰ বিকাশৰ হকে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনাইছে।

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা বাৰ্তাত কয় যে ভগৱান মহাবীৰে আমাক শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু সম্প্ৰীতিৰে ভৰা  সমাজ গঢ়াৰ পথ দেখুৱাই থৈ গৈছে। তেওঁ লগতে জনসাধাৰণক মহাবীৰৰ আদৰ্শৰাজি অনুসৰণ কৰিবলৈ আহ্বান জনায়।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ বাৰ্তাত কয় যে, ভগৱান মহাবীৰৰ শান্তি, সংযম আৰু সদিচ্ছাৰ বাৰ্তাসমূহ উন্নত ভাৰত গঢ়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণাৰ উৎসৰূপে পৰিগণিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তীৰ পবিত্ৰ ক্ষণত আজি পুৱা নতুন দিল্লীৰ ভাৰত মণ্ডপমত ২ হাজাৰ ৫৫০ সংখ্যক ভগৱান মহাবীৰ নিৰ্বাণ মহোৎসৱ মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাৱেশক সম্বোধন কৰিব।

০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৪ বৰ্ষৰ জুন মাহত হবলগীয়া বিশ্ববিদ্যালয় অনুদান আয়োগক ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপনকাৰী পৰীক্ষা ইউ জি চি নেটৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। পঞ্জীয়নৰ প্ৰক্ৰিয়া ১০ মে'লৈকে অব্যাহত থাকিব আৰু অনলাইনযোগে পৰীক্ষা মাচুল জমা কৰাৰ বাবে ১২ মে' অন্তিম দিন ধাৰ্য্য কৰা হৈছে। নেট পৰীক্ষাত উত্তীৰ্ণ হ'লে জুনিয়ৰ ৰিচাৰ্চ ফেল'শ্বিপ প্ৰদান কৰা হয় আৰু এনে শিক্ষাৰ্থীসকলে সহকাৰী অধ্যাপক পদত নিযুক্তিৰ বাবে যোগ্যতা লাভ কৰে। এই পৰীক্ষাৰ ভিত্তিত ৮৩ টা বিষয়ৰ পি এইচ ডি পাঠ্যক্ৰমত নামভৰ্তি কৰা হয়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, বৰ্তমান সমগ্ৰ বিশ্বই গোলকীয় শান্তি সুনিশ্চিত কৰাৰ বাবে ভাৰতলৈ চাই আছে। মহাবীৰ জয়ন্তীৰ পবিত্ৰ ক্ষণত আজি নতুন দিল্লীত ভগৱান মহাবীৰৰ ২৫৫০ সংখ্যক নিৰ্বাণ মহোৎসৱ মুকলি কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে দেশৰ বৰ্ধিত সমৰ্থ আৰু বিদেশ নীতিক নতুন ভাৰতৰ এই নতুন ভূমিকাৰ কৃতিত্ব প্ৰদান কৰে। তেওঁ কয় যে, গোলকীয় সংঘৰ্ষৰ সময়ত ভাৰতৰ তীৰ্থাংকৰ সকলৰ শিকনিসমূহ

অধিক প্ৰাসংগিক হৈ পৰিছে। ভগৱান মহাবীৰৰ প্ৰতি যুৱ প্ৰজন্মৰ  আকৰ্ষণে দেশ সঠিক দিশত আগুৱাৰ নিশ্চয়তা প্ৰদান কৰে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰত বিশ্বৰ সবাতকৈ পুৰণি সভ্যতাই নহয় বৰং মানৱতাৰো স্বৰ্গ। তেওঁ কয় যে ভাৰতে অকল নিজৰেই নহয় বৰং সকলোৰে কথা চিন্তা কৰে। ভাৰতে গোলকীয়ভাৱে আত্ম বিশ্বাসেৰে সত্য আৰু অহিংসাৰ মন্ত্ৰৰ প্ৰসাৰ সাধিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয় যে, ভগৱান মহাবীৰৰ আদৰ্শৰাজি আজিও প্ৰাসংগিক হৈ আছে। তেওঁ কয় যে নিজে বাচি থকা আৰু আনকো বাচি থাকিবলৈ দিয়াৰ নীতি অতিকে গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক। মহাবীৰ জয়ন্তীৰ লগত সংগতি ৰাখি শ্ৰীমোদীয়ে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে।

০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অসামৰিক সেৱা দিৱস উপলক্ষে দেশৰ সকলো অসামৰিক সেৱাৰ বিষয়াক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে বাৰ্তা প্ৰকাশ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে অদম্য মনোভাৱেৰে দেশৰ প্ৰগতিত অসামৰিক সেৱাৰ বিষয়াসকলে কাম কৰি আহিছে বুলি উল্লেখ কৰাৰ লগতে ১৯৪৭ চনত চৰ্দাৰ বল্লভ ভাই পেটেলে উল্লেখ কৰা ৩ টা বুনিয়াদী প্ৰমূল্যবোধ, মৰ্যাদা, অখণ্ডতা, অদুৰ্নীতিগ্ৰস্ততা অক্ষুন্ন ৰখাৰ বাবে গতিশীলতা ৰক্ষাৰ বাটত ক্ষীপ্ৰতাৰে কাম কৰাৰ ক্ষেত্ৰত অসামৰিক সেৱাই সদায় প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে বুলি উল্লেখ কৰে। ইপিনে, উপৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ প্ৰশাসনীয় পৰিকাঠামোৰ ৰাজহাড়স্বৰূপে অসামৰিক সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি দেশৰ প্ৰগতিতো বিশেষ ভূমিকা পালন কৰা বুলি উল্লেখ কৰে। উপৰাষ্ট্ৰপতিগৰাকীয়ে ২০৪৭ ৰ পূৰ্বে বিকশিত ভাৰত নিৰ্মাণৰ বাবে অসামৰিক সেৱাৰ লগত জড়িত কাণ্ডাৰীসকলক নিষ্ঠা সহকাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

০০০

কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটি লোকসভা নিৰ্বাচন সম্পৰ্কে আলোচনা কৰাৰ বাবে নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এখন বৈঠকত মিলিত হৈছে। বৈঠকত দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ চোনীয়া গান্ধী আৰু অন্য জ্যেষ্ঠ নেতাসকল উপস্থিত আছে। দলৰ পাঞ্জাবৰ জ্যেষ্ঠ নেতাসকলেও বৈঠকত অংশগ্ৰহণ কৰিছে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, সন্ধিয়া চাৰে ৭ বজাত ছণ্ডিগড়ত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছক ৬৭ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে ২৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত ২৬৬ ৰান কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ